**প্ৰেছ বাৰ্তা নং ঃ ১২০/২০২২**

১৯৭১ চনৰ যুদ্ধৰ বীৰ যোদ্ধাসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

# বীৰ যোদ্ধা আৰু তেওঁলোকৰ পৰিয়াল, প্ৰাক্তন সৈনিকৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে একাধিক পদক্ষেপ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ এপ্ৰিল ঃ** 'আজাদী কা অমৃত মহোৎসৱ'ৰ মহান উপলক্ষ্যত ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত আগবঢ়োৱা অতুলনীয় সেৱা, ত্যাগ আৰু সাহসিকতাৰ বাবে ৰাজ্যখনৰ বীৰ যোদ্ধাসকলক সন্মানিত কৰাৰ উদ্দেশ্যৰে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম চৰকাৰে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বীৰ যোদ্ধাসকলক সম্বৰ্দ্ধনা জনায়।

আজিৰ এই অনুষ্ঠানটোত যুদ্ধত শ্বহীদ হোৱা ৯ গৰাকী বীৰ যোদ্ধাৰ পত্নীলৈ ১০ লাখ টকাকৈ, ৮ গৰাকী আঘাতপ্ৰাপ্তৰ প্ৰত্যেককে ৫ লাখ টকাকৈ, দুগৰাকী যুদ্ধ বন্দীলৈ প্ৰত্যেককে ২.৫ লাখ টকাকৈ আৰু ৮৬ গৰাকী বীৰ যোদ্ধাৰ প্ৰত্যেকলৈ ২ লাখ টকাকৈ প্ৰদান কৰা হয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ বীৰ যোদ্ধাসকললৈ গভীৰ শ্ৰদ্ধা জনোৱাৰ লগতে এই যুদ্ধত প্ৰাণাহুতি দিয়া সৈনিক সকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধ ভাৰত উপমহাদেশৰ এক যুগান্তকাৰী ঘটনা আছিল। এই যুদ্ধত সেনাবাহিনীৰ জোৱানসকলৰ বীৰত্ব আৰু ত্যাগেৰে ভাৰতে ঐতিহাসিক বিজয় লাভ কৰিবলৈ সক্ষম হৈছিল তেনে নহয়, স্বাধীন বাংলাদেশ গঠন বাস্তৱায়িত কৰাৰ দিশতো গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল।

এই অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থকা বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেখেতৰ উপস্থিতিয়ে যুদ্ধত বীৰ যোদ্ধাসকলে দেখুওৱা সাহস আৰু ত্যাগক ভাৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰাটোৰে সূচায়। ১৯৭১ চনৰ ১৬ ডিচেম্বৰত পাকিস্তানৰ ইষ্টাৰ্ণ কমাণ্ডে আত্মসমৰ্পণ দলিলত স্বাক্ষৰ কৰিছিল। এই দলিলৰ জৰিয়তে পাকিস্তানৰ ইষ্টাৰ্ণ কমাণ্ডৰ ৯৭,৩৬৮ গৰাকী সেনাই স্বৰ্তবিহীনভাৱে আত্মসমৰ্পণ কৰে। দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত এয়া আছিল বিপুল পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ সহিতে কোনো সামৰিক বাহিনীৰ দ্বিতীয় সৰ্ববৃহৎ আত্মসমৰ্পণ। মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে ভাৰতীয় সৈনিকৰ উদ্যম আৰু সাহসিকতাৰ এক নিদৰ্শন প্ৰকাশিত হৈছিল।

মুখ্যমন্ত্ৰীয়ে কয় যে অকল যুদ্ধ ক্ষেত্ৰতে অসমৰ ভূমিকা সীমিত হৈ থকা নাছিল। ৰাজ্যৰ কিছু সংখ্যক আৰক্ষী বিষয়াই পাকিস্তানৰ সেনাবাহিনীৰ বিৰুদ্ধে যুঁজ দিবলৈ মুক্তি বাহিনী আৰু মুক্তিযোদ্ধাসকলক প্ৰশিক্ষণ আৰু অন্যান্য দিশেৰেও সহায় কৰিছিল। তেওঁ স্পেচিয়েল চিকিউৰিটি ব্যুৰ' (এছ এছ বি)ৰ জ্ঞানানন্দ শৰ্মা পাঠক আৰু গিৰজা নন্দ চৌধুৰীয়ে স্বাধীনতাৰ এই যুঁজত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে

শ্ৰদ্ধা জ্ঞাপন কৰে। ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া ডি এন সোণোৱাল আৰু হিৰণ্য কুমাৰ ভট্টাচাৰ্যই এই অভিযানৰ সময়ত লোৱা গুৰুত্বপূৰ্ণ অৰিহণাৰ বাবে তেখেতসকললৈও আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে স্বাধীনতাৰ সেনানীসকলক উৎসাহিত কৰাৰ বাবে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই সংগীতৰ মাধ্যমেৰে যোগোৱা প্ৰেৰণাৰ বাবেও তেখেতলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই এই মুক্তিযুদ্ধক আধাৰ হিচাপে লিখা 'জয় জয় নৱজাত বাংলাদেশ; জয় জয় মুক্তি বাহিনী' গীতটোৱে নতুনকৈ গঠিত সাৰ্বভৌম বাংলাদেশৰ প্ৰতি এক বিজয় সুলভ অভিনন্দন আছিল আৰু এই মুক্তিযোদ্ধাসকলক আলম লৈ লিখা গীতটিয়ে এতিয়াও সকলোৰে অন্তৰ স্পৰ্শ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে সাহসী কাৰ্যই সকলোকে প্ৰেৰণা যোগায়। বীৰ যোদ্ধাসকলে স্বদেশৰ বাবে আগবঢ়োৱা অৱদানৰ প্ৰতি উপযুক্ত মৰ্যাদা প্ৰদান কৰাটো চৰকাৰৰ এক দায়িত্ব আৰু সেইবাবে চৰকাৰে সাহসী যোদ্ধা আৰু তেওঁলোকৰ পৰিয়ালৰ ওচৰত থিয় হৈছে। ৰাজ্য চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি ৰূপায়ণৰ দিশত দায়বদ্ধতাৰে আগবাঢ়িছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেনাবাহিনীৰ জোৱানৰ মৃত্যু হ'লে তেওঁলোকৰ নিকটাত্মীয়লৈ ৫০ লাখ টকাৰ এককালীন সাহায্য, প্ৰাক্তন সৈনিকৰ বাবে চাকৰি, প্ৰাক্তন সৈনিকৰ সন্তানৰ বাবে ৰাজ্যখনৰ চিকিৎসা মহাবিদ্যালয়ত আসন সংৰক্ষণৰ লেখীয়া পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ লগতে জনায় যে প্ৰাক্তন সৈনিকসকলৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে আৰু অধিক আঁচনি গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে সেনা বাহিনীৰ লোকসকলৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া গুৰুত্বপূৰ্ণ বিষয় নহয়, ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষা আৰু সকলোকে নিৰাপত্তা প্ৰদানৰ বাবে তেখেতসকলে ত্যাগৰ মানসিকতাৰে ৰাষ্ট্ৰৰ সেৱা আগবঢ়াই আহিছে।

অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ১৯৭১ চনৰ যুদ্ধৰ বীৰ যোদ্ধা তথা পদ্মশ্ৰী বঁটা প্ৰাপক কৰ্ণেল (অৱসৰপ্ৰাপ্ত) কাজী ছাজ্জাদ আলী জাহিৰেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি 'দ্যা ব্ৰেভহাৰ্টছ অৱ ৭১' নামৰ পুস্তিকা এখনো মুকলি কৰা হয়। ৩০০ গৰাকীতকৈও অধিক বীৰ যোদ্ধা, বীৰ নাৰী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই আজি এই সম্বৰ্দ্ধনা অনুষ্ঠানত উপস্থিত আছিল। ১৯৬৫ চনৰ যুদ্ধৰ কিছু সংখ্যক যোদ্ধাও অনুষ্ঠানত উপস্থিত থাকে। কেইবাগৰাকীও মন্ত্ৰী, সাংসদ, বিধায়ক, অসামৰিক আৰু প্ৰতিৰক্ষা বিভাগৰ শীৰ্ষ চৰকাৰী বিষয়া আৰু লগতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**২৩-০৪-২০২২**